অসম জাতীয় বিদ্যালয়
Assam Jatiya Bidyalay
নুনমাটি, গুৱাহাটী-৭৮১০২০
Noonmati, Guwahati - 781020
কৰ্ম মোৰ সংস্কৃতি
☏: 0361-2557921 (Principal)
0361-2654229 (Office)
e-mail:assamjatiyabidyalay@gmail.com
website:www.assamjatiyabidyalay.com

প্ৰসংগ : অজাবি/০০৯/১৮/২২-২৩
*Ref :*

তাৰিখ : ১৪-১০-২০২২
*Date :*

## "সাহিত্যই নিঃশব্দে সমাজ পৰিবৰ্তন কৰে।"— ড° অৰূপা পটংগীয়া কলিতা
## অসম জাতীয় বিদ্যালয়ত 'সাহিত্য দিৱস' উদ্‌যাপন

**গুৱাহাটী, ১৪ অক্টোবৰ, ২০২২ :** অসম জাতীয় বিদ্যালয়ৰ ৰসৰাজ সাহিত্য চ'ৰাৰ উদ্যোগত আজি সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাৰ ১৫৮ সংখ্যক জন্ম দিৱস 'সাহিত্য দিৱস' হিচাপে উদ্‌যাপন কৰা হয়। এই উপলক্ষে বেজবৰুৱাৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলনেৰে দিৱসৰ কাৰ্য্যসূচীৰ আৰম্ভণি কৰে বিদ্যালয়ৰ শৈক্ষিক বিষয়া নৰেন্দ্ৰ মোহন গোস্বামীয়ে। বিদ্যালয় উপাধ্যক্ষ ৰবীন্দ্ৰ বৰ্মনে সকলোকে উদ্দেশ্যি দিয়া আদৰণী ভাষণত আমাৰ সাহিত্য-সংস্কৃতিৰ স্বকীয়তা, মৌলিকত্ব বৰ্তাই ৰখাৰ লগতে সাহিত্যৰ বিকাশ আৰু সংৰক্ষণৰ বাবে গতিশীল আৰু কাৰ্য্যক্ষম চৰ্চাৰ প্ৰয়োজন বুলি মন্তব্য কৰে। দিৱসৰ তাৎপৰ্য্য ব্যাখ্যা কৰি বিদ্যালয়ৰ সমাজ বিজ্ঞান বিভাগৰ জ্যেষ্ঠ শিক্ষয়িত্ৰী অপৰ্ণা দেৱীয়ে অসমীয়া সাহিত্য তথা সমাজ জীৱনলৈ লক্ষ্মীনাথ বেজবৰুৱাই আগবঢ়োৱা ভূমিকাক শ্ৰদ্ধাৰে সোঁৱৰণ কৰে। আজিৰ অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে অসমৰ এগৰাকী বিশিষ্ট গল্পকাৰ তথা ঔপন্যাসিক ড° অৰূপা পটংগীয়া কলিতা। নিজৰ ভাষণত অৰূপা পটংগীয়া কলিতাই শ্ৰমজীৱী মানুহৰ মুখতহে ভাষাৰ সৌন্দৰ্য্য ৰক্ষিত হয় বুলি উল্লেখ কৰি লোক জীৱনৰ মাত কথা তুলি আনি বেজবৰুৱাই সৃষ্টি কৰা সুমধুৰ ভাষাক কৃতজ্ঞতাৰে স্মৰণ কৰে। বুৰঞ্জীয়ে ক'ব নোৱাৰা কথাকো তুলি ধৰি সাহিত্যই নিঃশব্দে সমাজ পৰিবৰ্তন কৰে বুলি তেওঁ তাৎপৰ্য্যপূৰ্ণ মন্তব্য কৰে। বেজবৰুৱাৰ সৃষ্টিৰাজিয়ে তেওঁৰ লেখক জীৱনতো প্ৰভূত প্ৰভাৱ পেলোৱা বুলি তেওঁ ভাষণ প্ৰসংগত উল্লেখ কৰে। এই অনুষ্ঠানতে বিদ্যালয়ৰ তৰফৰ পৰা আয়োজিত আন্তঃবিদ্যালয় সাহিত্য প্ৰতিযোগিতাৰ বিজয়ী প্ৰতিযোগীসকলক নগদ ধন আৰু কিতাপৰ টোপোলাৰে পুৰস্কৃত কৰা হয়। এই প্ৰতিযোগিতাৰ প্ৰথমটো শাখাত (বিষয় : পদ্যৰ গদ্য ৰূপ, নিৰ্বাচিত পদ্য : গছ ভালপোৱা ককাৰ খং) প্ৰথম পুৰস্কাৰ যুটীয়াভাৱে লাভ কৰে অসম জাতীয় বিদ্যালয়, নুনমাটিৰ সপ্তম শ্ৰেণীৰ শিক্ষাৰ্থী গহনা চক্ৰৱৰ্তী আৰু ষষ্ঠ শ্ৰেণীৰ শিক্ষাৰ্থী অনিৰুদ্ধ গগৈয়ে। দ্বিতীয় পুৰস্কাৰ যুটীয়াভাৱে লাভ কৰে উত্তৰ গুৱাহাটীৰ সৰলা বিৰলা জ্ঞানজ্যোতি বিদ্যালয়ৰ ষষ্ঠ শ্ৰেণীৰ যুগব্ৰতা মহন্ত আৰু গোলাঘাট জাতীয় বিদ্যালয়ৰ সপ্তম শ্ৰেণীৰ শিক্ষাৰ্থী লিজা বৰাই। তৃতীয় পুৰস্কাৰ যুটীয়াভাৱে লাভ কৰে দেৰগাঁও জাতীয় বিদ্যালয়ৰ সপ্তম শ্ৰেণীৰ ঋদ্ধিপ্ৰাণ বৰা আৰু জালুকবাৰী জাতীয় বিদ্যালয়ৰ ষষ্ঠ শ্ৰেণীৰ শিক্ষাৰ্থী জিয়া দাসে। প্ৰতিযোগিতাৰ দ্বিতীয়টো শাখাত (বিষয় : গদ্যৰ পদ্য ৰূপ, নিৰ্বাচিত গদ্য : তিনিটা মাছৰ কথা) প্ৰথম পুৰস্কাৰ লাভ কৰে ৰঙামাটি বহুমুখী জাতীয় বিদ্যালয়, বাদুলীপাৰ গোলাঘাটৰ নৱম শ্ৰেণীৰ শিক্ষাৰ্থী পূৰ্বদিশা শৰ্মাই। দ্বিতীয় পুৰস্কাৰ লাভ কৰে অসম জাতীয় বিদ্যালয়, নুনমাটিৰ অষ্টম শ্ৰেণীৰ প্ৰজ্বলিতা বড়াই আৰু তৃতীয় পুৰস্কাৰ যুটীয়াভাৱে লাভ কৰে গোলাঘাট জাতীয় বিদ্যালয়ৰ অষ্টম শ্ৰেণীৰ শিক্ষাৰ্থী অংকিত ভূঞা আৰু অসম জাতীয় বিদ্যালয়, নুনমাটিৰ নৱম শ্ৰেণীৰ শিক্ষাৰ্থী গীতাৰ্থ শৰ্মাই। আনহাতে প্ৰতিযোগিতাৰ তৃতীয়টো শাখাত (বিষয় : অসমীয়া ভাষা-সাহিত্যৰ প্ৰতিষ্ঠাত পদ্মনাথ গোহাঞি

বৰুৱাৰ ভূমিকা) প্ৰথম পুৰস্কাৰ লাভ কৰে গোলাঘাট জাতীয় মহাবিদ্যালয়ৰ একাদশ শ্ৰেণীৰ শিক্ষাৰ্থী হেমন্ত বৰাই। দ্বিতীয় পুৰস্কাৰ লাভ কৰে অসম জাতীয় বিদ্যালয়, নুনমাটিৰ দ্বাদশ শ্ৰেণীৰ শিক্ষাৰ্থী তন্ময়ী বৰুৱাই আৰু তৃতীয় পুৰস্কাৰ লাভ কৰে গান্ধী স্মৃতি উচ্চতৰ মাধ্যমিক বিদ্যালয়, দৰঙৰ দ্বাদশ শ্ৰেণীৰ শিক্ষাৰ্থী মৃগাংক কলিতাই। প্ৰতিযোগিতাৰ দুগৰাকী বিচাৰক কবি ড° বিজয় শংকৰ বৰ্মন আৰু জোনমণি দাসো আজিৰ অনুষ্ঠানত উপস্থিত থাকে। সাহিত্য দিৱসৰ সৈতে সংগতি ৰাখি প্ৰস্তুত কৰি উলিওৱা প্ৰাচীৰ পত্ৰিকা উন্মোচন কৰে বিদ্যালয়ৰ অধ্যক্ষ ঘনশ্যাম মেধিয়ে। অনুষ্ঠানত বিদ্যালয়ৰ একাংশ শিক্ষাৰ্থীয়ে গীত-নৃত্য আদি পৰিৱেশন কৰি বেজবৰুৱাৰ কৰ্ম-কৃতিক শ্ৰদ্ধাৰে সোঁৱৰণ কৰে। অনুষ্ঠানৰ শেষত শলাগৰ শৰাই আগ বঢ়ায় বিদ্যালয়ৰ বিজ্ঞান বিভাগৰ শিক্ষক মিথুন ডেকাই। আজিৰ অনুষ্ঠানটোৰ আঁত ধৰে বিদ্যালয়ৰ নৱম শ্ৰেণীৰ শিক্ষাৰ্থী জিয়া ভাৰ্গৱ আৰু লয়ন ৰঞ্জন শইকীয়াই। সাহিত্য দিৱসৰ সামগ্ৰিক দায়িত্ব আছিল বিদ্যালয়ৰ হিন্দী বিভাগৰ শিক্ষক উৎপল ডেকা। সাহিত্য দিৱসৰ অনুষ্ঠানত বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি দিলীপ কুমাৰ দত্ত চৌধুৰী, সচিব ডা° নাৰায়ণ শৰ্মা, উপাধ্যক্ষ অপৰাজিতা বৰাকে ধৰি বহু সংখ্যক লোক উপস্থিত থাকে।

(ঘনশ্যাম মেধি)<br>
অধ্যক্ষ<br>
অসম জাতীয় বিদ্যালয়